**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-01-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে কৃষকসকল ৰাষ্ট্ৰ নিৰ্মাণৰ শক্তিশালী অংশীদাৰ আৰু তেওঁলোকৰ প্ৰচেষ্টাই আত্ম-নিৰ্ভৰ ভাৰত অভিযানক বহু পৰিমাণে শক্তিশালী কৰি তুলিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰাক্তন সৈনিকসকলক তেওঁলোকৰ অভিজ্ঞতাৰ মাজেৰে যুৱক-যুৱতীসকলক পথ প্ৰদৰ্শন কৰি অগ্নিবীৰ আৰু জোৱানসকলক সঠিক দিশ দেখুৱাবলৈ আহ্বান জনায়।

৩। দেশৰ বিভিন্ন অংশত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে।

*আৰু*

৪। ভাৰতে ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডক জয়ৰ বাবে ২৮৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।০০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে কৃষকসকল ৰাষ্ট্ৰ নিৰ্মাণৰ শক্তিশালী অংশীদাৰ আৰু তেওঁলোকৰ প্ৰচেষ্টাই আত্ম-নিৰ্ভৰ ভাৰত অভিযানক বহু পৰিমাণে শক্তিশালী কৰি তুলিছে। তেওঁ কয়, যে কেন্দ্ৰ কৃষকসকলৰ সৱলীকৰণৰ বাবে দায়বদ্ধ আৰু এই দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। নতুন দিল্লীত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ বাসগৃহত আজি আয়োজিত পোংগল উদযাপনত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে পোংগলে প্ৰকৃতি, পৰিয়াল আৰু সমাজৰ সৈতে সন্তুলন সৃষ্টিৰ পথ দেখুৱাইছে। তেওঁ কয়, যে পোংগলে সজীৱ তামিল সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে বান্ধোনক উদযাপন কৰে। তেওঁ কয়, যে পোংগল এতিয়া বিশ্বব্যাপী উৎসৱত পৰিণত হৈছে। তেওঁ লগতে কয়, যে এই উৎসৱ হৈছে ভূমি আৰু সূৰ্য্যৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ এক অনুষ্ঠান। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, জগৎ প্ৰকাশ নাড্ডা, জি কিষাণ ৰেড্ডী আৰু ৰাম মোহন নাইডুকে ধৰি কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰীয়ে আজি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ বাসগৃহত আয়োজিত পোংগল উৎসৱত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে দেশবাসীক পোংগলৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে এই উৎসৱে ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা আৰু ঐক্য সহমিলনৰ আত্মাক প্ৰতিফলিত কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনাড্ডাই কয়, যে দেশজুৰি বিভিন্ন নামেৰে পালন হোৱা পোংগল, মকৰ সংক্ৰান্তিৰ এই সময়ছোৱা আনন্দ আৰু উদযাপনৰ সময়, য'ত নতুন শক্তি, নতুন বল আৰু নতুন উৎসাহ দেখা যায়। ইপিনে, শ্ৰীৰেড্ডীয়ে কয়, যে এই উৎসৱ কৃষি আৰু প্ৰকৃতিৰ

উদযাপন। লগতে শ্ৰীনাইডুৱে কয়, যে প্ৰধানমন্ত্ৰীয়ে দেশৰ সকলো উৎসৱক সন্মান দিয়ে আৰু উদযাপন কৰে। লগতে তেওঁ কয়, যে সাংস্কৃতিক ক্ষেত্ৰত দেশবাসী ঐক্যৱদ্ধ হৈ থকাটো অতি গুৰুত্বপূৰ্ণ।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সশস্ত্ৰ বাহিনীৰ প্ৰাক্তন সৈনিকসকলক ৰাষ্ট্ৰয় চেতনাৰ জীৱন্ত স্তম্ভ, সমূহীয়া শাসকৰ প্ৰতীক আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা উৎস বুলি অভিহিত কৰিছে। সশস্ত্ৰ বাহিনীৰ প্ৰাক্তন সৈনিক দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰাক্তন সৈনিকসকলে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়া সকলো দিশত অৱদান আগবঢ়াই আহিছে আৰু তেওঁলোকৰ নিয়মানুৱৰ্তিতা, নেতৃত্ব আৰু সাহসৰ দৰে গুণেৰে সমাজক পথ প্ৰদৰ্শন কৰি আহিছে। শ্ৰীসিঙে কয় যে ইউনিফৰ্মৰ ৰং আৰু কৰ্মস্থলী সলনি হ'লেও প্ৰাক্তন সৈনিকসকলৰ হৃদয়ত দেশভক্তি আৰু সেৱাৰ ভাৱ অপৰিৱৰ্তিত হৈ থাকে। শ্ৰীসিঙে প্ৰাক্তন সৈনিকসকলক তেওঁলোকৰ অভিজ্ঞতাৰ মাজেৰে যুৱক-যুৱতীসকলক প্ৰদৰ্শন কৰি অগ্নিবীৰ আৰু জোৱানসকলক সঠিক দিশ দেখুৱাবলৈ আহ্বান জনায়। লগতে প্ৰয়োজন সাপেক্ষে জৰুৰী অৱস্থাত অসামৰিক প্ৰশাসনৰ সৈতেও কান্ধত কান্ধ মিলাই থিয় দিবলৈ আহ্বান জনায়। তেওঁ লগতে কয়, যে শিক্ষা, দক্ষতা বিকাশ আৰু দুৰ্য্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰাক্তন সৈনিকসকলৰ অংশগ্ৰহণে ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত ইতিবাচক আৰু স্থায়ী প্ৰভাৱ পেলাব। স্বাস্থ্যৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে চৰকাৰে প্ৰাক্তন সেনা বাহিনীৰ বাবে থকা স্বাস্থ্য আঁচনিখন অহৰহ শক্তিশালী কৰি আহিছে। অনুষ্ঠানত শ্ৰীসিঙে প্ৰায় ৪০ বছৰ পূৰ্বে ভাৰতীয় শান্তি ৰক্ষা বাহিনীৰ অংশ হিচাপে শ্ৰীলংকাত শান্তি ৰক্ষাৰ উদ্দেশ্যে আৰম্ভ কৰা অপাৰেচন পৱনত অংশগ্ৰহণ কৰা সাহসী প্ৰাক্তন সেনা জোৱানসকলক স্মৰণ কৰে। তেওঁ কয়, যে অভিযানৰ সময়ত ভাৰতীয় বাহিনীয়ে অসাধাৰণ সাহস প্ৰদৰ্শন কৰিছিল যদিও তেওঁলোকৰ বীৰত্ব, ত্যাগ আৰু সন্মানে প্ৰাপ্য সন্মান লাভ কৰা নাছিল। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে অপাৰেচন পৱনত অংশগ্ৰহণ কৰা জোৱানসকলৰ অৱদানক স্বীকৃতি দিছে আৰু তেওঁলোকৰ ত্যাগৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছে।

ooooo

দেশৰ বিভিন্ন অংশত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে। মকৰ সংক্ৰান্তি শীত ঋতুৰ সমাপ্তি আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ প্ৰতীক। এই উৎসৱ দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন নামেৰে জনাজাত। অসমত ভোগালী বিহু, তামিলনাডুত পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে এই উৎসৱ পালন কৰা হয়।

অসমতো আজি বাপতি সাহোন ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ

বাৰ্তাত কয় যে অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠত্বক প্ৰতিফলিত কৰা এই উৎসৱ আনন্দ আৰু ভাতৃত্ববোধৰ উপলক্ষ। এই উৎসৱে কঠোৰ পৰিশ্ৰমী কৃষকসকলৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ সুযোগ দিয়ে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

তামিলনাডুত মাৰ্গজী মাহৰ অন্তিম দিনৰূপে উদযাপিত ভোগী পৰ্ব উলহ-মালহেৰে পালন কৰা হয়। পৰম্পৰা অনুসৰি লোকসকলে ঘৰখনৰ পুৰণি সামগ্ৰীবোৰ উলিয়াই সেইসমূহ আহুতি দিয়াৰ লগতে সকলোৰে নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি ৰঙেৰে সজাই তোলে। তেলেংগানাতো মকৰ সংক্ৰান্তিৰ তিনিদিনীয়া উৎসৱৰ আজি ভোগী উদযাপনেৰে আৰম্ভ হৈছে। ইপিনে হায়দৰাবাদত উৎসৱৰ এই বতৰত ৰং-বিৰঙী চিলাই পৰিৱেশ অধিক ৰঙীন কৰি তুলিছে। ২০ খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে চেকেণ্ডাৰাবাদৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত তেলেংগানা আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱক লৈ অঞ্চলটোত এতিয়া উখল-মাখল পৰিৱেশ।

ooooo

বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে নতুন দিল্লীত আজি চীনৰ কমিউনিষ্ট পাৰ্টী কেন্দ্ৰীয় সমিতিৰ আন্তঃৰাষ্ট্ৰীয় বিভাগৰ উপ-মন্ত্ৰী চান হায়ানক সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত জনায় যে, তেওঁলোক দুয়োগৰাকীয়ে ব্যৱসায় আৰু জনকেন্দ্ৰিক সংযোগক অগ্ৰাধিকাৰ দি দ্বিপাক্ষিক সম্পৰ্ক সুস্থিৰ আৰু পুনৰনিৰ্মাণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বিষয়ে আলোচনা কৰে। বৈঠকৰ সময়ত দুয়ো পক্ষই প্ৰদান কৰা গুৰুত্বপূৰ্ণ নিৰ্দেশনাসমূহ কাৰ্য্যকৰী কৰাৰ বাবে আৰু দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত দিয়া প্ৰতিশ্ৰুতি আগবঢ়াই নিয়া সন্দৰ্ভতো আলোচনা কৰা হয়। বৈদেশিক সচিবগৰাকীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ মাজত সম্পৰ্ক পুনৰ শক্তিশালী ৰূপত গঢ়ি তোলাৰ বাবে বুজাবুজি বৃদ্ধি কৰাৰ গুৰুত্ব সন্দৰ্ভত মত ব্যক্ত কৰে। তেওঁ দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ বাবে সঠিক পৰিধি সৃষ্টিৰ বাবে ইতিবাচক পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে।

ooooo

নিপাহ ভাইৰাছত আক্ৰান্ত হোৱাৰ সন্দেহত আৰু দুজন ব্যক্তিক ক'লকাতাৰ বেলিয়াঘাটা আই ডি হাস্পতালত ভৰ্তি কৰোৱা হৈছে। স্বাস্থ্য বিভাগে সংক্ৰমিত ব্যক্তিৰ ওচৰত থকা লোকসকলৰ দেহলৈও এই ভাইৰাছ বিয়পিছে নেকি, এই সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰায় ৫০ জন ব্যক্তিৰ নমুনা সংগ্ৰহ কৰি পুনেৰ নেচনেল ইন্সটিটিউট অৱ ভাইৰ'লজিলৈ প্ৰেৰণ কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

ভাৰতে ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত - তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডক জয়ৰ বাবে ২৮৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২৮৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ১১২ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীলে ৫৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ কেডি ক্লাৰ্কে ৩ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ১৬ অভাৰত ২ টা উইকেটৰ বিনিময়ত ৬৯ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ভাৰতে যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত